**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১।	পহলগাম সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সিন্ধু জল চুক্তি বাতিল, পাকিস্তানী নাগৰিকক ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগৰ নিৰ্দেশ। কূটনৈতিক ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰৰ কঠোৰ সিদ্ধান্ত।

২।	জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ আক্ৰমণত কথমপি প্ৰাণৰক্ষা পৰা অসম বিশ্ববিদ্যালয়ৰ অধ্যাপক দেৱাশীষ ভট্টাচাৰ্যক সপৰিয়ালে নিৰাপদে ওভতাই অনাৰ বাবে ৰাজ্য চৰকাৰৰ ব্যৱস্থা গ্ৰহণ।

৩।	সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা অৰুণাচল প্ৰদেশৰ বায়ুসেনা বিষয়া টাগে হালিয়াঙৰ নশ্বৰ দেহত ৰাজ্য চৰকাৰৰ শ্ৰদ্ধা তৰ্পণ।

৪।	ৰাজ্যত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তীব্ৰতৰ।	**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ ৭ উইকেটত জয়লাভ।

০০০০০০

ভাৰতে পহলগাম সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ১৯৬০ চনৰ সিন্ধু জল চুক্তি বাতিল আৰু ততালিকে কাৰ্যকৰী হোৱাকৈ আট্টাৰী সংহত চকী বন্ধকে ধৰি ভালেমান কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কালি বিয়লি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসগৃহত অনুষ্ঠিত মন্ত্ৰীসভাৰ সুৰক্ষা বিষয়ক কমিটীৰ বৈঠকত দেশৰ সামগ্ৰিক সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচনা কৰা হয় আৰু সকলো সুৰক্ষা বাহিনীক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

নতুন দিল্লীত যোৱা নিশা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে এতিয়াৰে পৰা পাকিস্তানী নাগৰিকসকলক ছাৰ্ক ভিছা ৰেহাই আঁচনিৰ অধীনত ভাৰতলৈ অহাৰ অনুমতি প্ৰদান কৰা নহ'ব। তেওঁ কয় যে পাকিস্তানী নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা এই ভিছা বাতিল বুলি গণ্য কৰা হ'ব। তেওঁ লগতে কয় যে ছাৰ্ক ভিছাৰ অধীনত সম্প্ৰতি ভাৰতত থকা পাকিস্তানী নাগৰিকসকলে ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিব লাগিব।

**(বাইট)**

নতুন দিল্লীৰ পাকিস্তানী উচ্চায়োগত থকা প্ৰতিৰক্ষা, সামৰিক, নৌ সেনা আৰু বায়ু সেনাৰ উপদেষ্টাসকলে এসপ্তাহৰ ভিতৰত ভাৰত ত্যাগ কৰিব লাগিব বুলি বিদেশ সচিবগৰাকীয়ে জানিবলৈ দিয়ে। ভাৰতেও ইছলামাবাদৰ ভাৰতীয় উচ্চায়োগৰ পৰা ইয়াৰ প্ৰতিৰক্ষা, নৌ আৰু বায়ু সেনা উপদেষ্টাসকলক ঘূৰাই আনিব। তেওঁ কয় যে দুয়োখন দেশৰ উচ্চায়োগৰ এই পদসমূহ অপ্ৰাসঙ্গিক বুলি গণ্য কৰা হ'ব। উচ্চায়োগৰ উপদেষ্টাসকলৰ পাঁচগৰাকী সহযোগী কৰ্মচাৰীকো আঁতৰ কৰা হ'ব।

বিদেশ সচিবগৰাকীয়ে কয় যে উচ্চায়োগত নিয়োজিত কৰ্মচাৰীৰ সংখ্যা পহিলা মে'ৰ পৰা ৫৫ৰ পৰা ৩০লৈ হ্ৰাস কৰা হ'ব।

**(বাইট)**

তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ বৈঠকত পহলগামত মঙলবাৰে সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়ে অৱগত কৰোৱা হয়। এই আক্ৰমণৰ সৈতে সীমান্তৰ সিপাৰৰ যোগসূত্ৰৰ বিষয়েও আলোচনা কৰা হয়। জম্মু-কাশ্মীৰত অনুষ্ঠিত সফল বিধানসভা নিৰ্বাচন আৰু ৰাজ্যখনৰ দ্ৰুত অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ বাবে এই আক্ৰমণ সংঘটিত হোৱা বুলি বৈঠকত উল্লেখ কৰা হয়। মন্ত্ৰীসভাৰ সুৰক্ষা বিষয়ক কমিটীয়ে কঠোৰ ভাষাৰে এই আক্ৰমণক গৰিহণা দিয়ে আৰু আক্ৰমণৰ বলি হোৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। কেবিনেট কমিটীয়ে লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। নিৰাপত্তা সংস্থাই পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ সৈতে জড়িত ৪ জন সন্ত্ৰাসবাদীৰ ফটো প্ৰকাশ কৰিছে। ছাইফুল্লা খালিদক এই আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰী হিচাপে চিনাক্ত কৰা হৈছে। ছাইফুল্লা ওৰফে ছাইফুল্লা কছুৰীয়ে বিগত দুমাহ ধৰি অঞ্চলটোত আক্ৰমণৰ ষড়যন্ত্ৰ ৰচা বুলি তথ্য পোহৰলৈ আহিছে। অসম সহ দেশৰ বিভিন্ন প্ৰান্তত পহলগামৰ আক্ৰমণৰ বিৰুদ্ধে জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰিছে।

ইপিনে, চৰকাৰে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে সন্ধিয়া ৬ বজাত সংসদ ভৱন চৌহদত এই বৈঠক অনুষ্ঠিত হ'ব।

০০০০০০

জম্মু-কাশ্মীৰৰ পহলগামত মঙলবাৰে হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ সময়ত কথমপি প্ৰাণৰক্ষা পৰা শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ অধ্যাপক দেৱাশীষ ভট্টাচাৰ্যক পৰিয়াল সহিতে নিৰাপদে ৰাজ্যলৈ ওভতাই অনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সন্ত্ৰাসবাদীৰ এই অমানুষিক আক্ৰমণৰ ঘটনাক ভাৰতে কেতিয়াও সহ্য নকৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিব। উল্লেখযোগ্য যে অসম বিশ্ববিদ্যালয়ৰ অধ্যাপকগৰাকী পত্নী-পুত্ৰৰ সৈতে বেইচ্‌ৰন উপত্যকা ভ্ৰমণৰ বাবে গৈছিল। সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত দেৱাশীষ ভট্টাচাৰ্যৰ পৰিয়ালটোৱে আন বহুতৰে সৈতে গছ-গছনিৰ আঁৰত লুকাই আছিল যদিও সন্ত্ৰাসবাদীৰ দলটোৱে তেওঁলোকক বিচাৰি উলিয়ায়। সন্ত্ৰাসবাদীকেইটাৰ সন্মুখত কলিমা পাঠ কৰাৰ বাবেই পৰিয়ালটোলৈ গুলীচালনা নকৰিলে বুলি দেৱাশীষ ভট্টাচাৰ্যই আমাৰ শিলচৰৰ সংবাদদাতা আখীৰাণী দাসক টেলিফোনযোগে জনায়। প্ৰায় দুঘণ্টা সময় সমীপতে আশ্ৰয় লৈ পৰৱৰ্তী সময়ত পৰিয়ালটোৱে এখন বাহনত শ্ৰীনগৰলৈ ৰাওনা হয়। পৰিয়ালটো বৰ্তমান নিৰাপদে আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা অৰুণাচল প্ৰদেশৰ বায়ুসেনা বিষয়া টাগে হালিয়াঙৰ নশ্বৰ দেহ যোৱানিশা গুৱাহাটীলৈ অনা হয়। বৰঝাৰৰ বায়ুসেনা চাউনীত ৰাজ্য চৰকাৰৰ হৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই হালিয়াঙৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কামৰূপ মহানগৰৰ জিলা আয়ুক্ত সুমিত ছাট্টাৱন আৰু মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তইও প্ৰয়াত সেনা বিষয়াগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। নিশাই বায়ুসেনাৰ বিশেষ বিমানেৰে হালিয়াঙৰ নিথৰ দেহ তেজপুৰৰ বায়ুসেনাৰ মুখ্য চাউনীলৈ নিয়া হয়।

০০০০০০

রাজ্যত আসন্ন পঞ্চায়ত নির্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত মুখ্যমন্ত্ৰীগৰাকীয়ে **টীয়কৰ** ৰজাবাৰী খেলপথাৰ আৰু সৰুপথাৰৰ ধোন্দাচাম ক্ৰীড়া সন্থা খেলপথাৰত দুখনকৈ নিৰ্বাচনী সভাত ভাগ লয়। **সৰুপথাৰত** নিৰ্বাচনী সভাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বিৰোধীক তীব্ৰ সমালোচনা কৰাৰ লগতে এইবাৰ পঞ্চায়ত নিৰ্বাচনত এন ডি এ সমৰ্থিত সকলো প্ৰাৰ্থীয়ে জয়লাভ কৰিব বুলি মন্তব্য কৰে। একেখন সভাতে মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছ সাংসদ গৌৰৱ গগৈকো তীক্ষ্ণ ভাষাৰে সমালোচনা কৰি সাংসদগৰাকীৰ শত্ৰু ৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক থকা বুলি মন্তব্য কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি **ঢকুৱাখনাৰ** বাটমাৰিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীসোণোৱালে ধেমাজিৰ মাজৰবাৰীত আন এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয়, যে সন্ত্ৰাসবাদ নিশেষ কৰাটো বিজেপি নেতৃত্বাধীন চৰকাৰৰ সংকল্প।

**ধেমাজিৰ** নলবাৰী ৰাজহুৱা খেলপথাৰত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ মিত্ৰজোঁটৰ প্ৰাৰ্থী বৰদলনি জিলা পৰিষদৰ সদস্য খ্যমালি বৰদেউৰী দৈমাৰী আৰু আঞ্চলিক সদস্য গুণৰী ব্ৰহ্মৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে **যোৰহাটৰ** সাংসদ তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে ডিগবৈৰ গোলাইত কালি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ লয়।

আনহাতে **ডিব্ৰুগড়ত** এখন সংবাদমেল অনুষ্ঠিত কৰি অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দলীয় ইস্তাহাৰ মুকলি কৰে। সংবাদমেলখনত দলটোৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাও উপস্থিত থাকি শাসকীয় দলটোক তীব্ৰ সমালোচনা কৰে।

নগাঁও জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তথা জিলা প্ৰশাসনৰ প্ৰস্তুতি অব্যাহত আছে। এই সন্দৰ্ভত এয়া আমাৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া–

**ভইচ (মুনীন্দ্ৰ শইকীয়া)**

অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত কামৰূপ জিলাত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসকীয় বিজেপি, অসম গণ পৰিষদ আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে নিৰ্বাচনী প্ৰচাৰ ব্যাপক কৰি তোলাৰ লগতে কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছেও একাধিক নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক ভবেশ কলিতাই কালি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ ১০ খন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে হাজো-শুৱালকুছি বিধানসভা সমষ্টিত অসম গণ পৰিষদে ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতায়েও একাধিক প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায়।

ইপিনে নলবাৰী জিলা বিজেপিৰ কাৰ্যালয়ত কালি অনুষ্ঠিত এখন সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত কেইবাশ লোকে দলটোত যোগদান কৰে।

০০০০০০

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই পৰহিলৈ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে

তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

গোলাঘাট আঞ্চলিক বন বিভাগৰ বিষয়া ছৰিফুল ৰহমানক ব্যৱসায়ীৰ পৰা উৎকোচ লোৱাৰ অভিযোগত কালি আৰক্ষীয়ে কৰে। বিষয়াজনে বিভিন্ন লোকৰ পৰা লাখ লাখ টকা সংগ্ৰহ কৰিছিল। অৱশেষত ব্যৱসায়ীসকলে ছৰিফুল ৰহমানৰ বিৰুদ্ধে গোলাঘাট আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেট পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ১৫ অভাৰ আৰু চাৰিটা বলত তিনিটা উইকেট হেৰুৱাই ১৪৪ ৰাণৰ বিজয় লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট বিনিময়ত ১৪৩ ৰাণ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ ট্ৰেণ্ট বল্টে চাৰিটা উইকেট দখল কৰে। বল্টক প্লেয়াৰ অব দা মেচ হিচাপে গণ্য কৰা হয়। প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

হিমাচল প্ৰদেশৰ ধৰমশালাত যোৱা ১৯ এপ্ৰিলৰ পৰা অনুষ্ঠিত সপ্তম ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছ পাৱাৰ লিফ্‌টিং চেম্পিয়নশ্বিপৰ ৯৩ কিলোগ্ৰাম অনূৰ্ধ শাখাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ মেনেজমেণ্ট ষ্টাডিজৰ সহকাৰী অধ্যাপক ড০ আৰ্শ্বাদ হুছেইনে সোণৰ পদক অৰ্জন কৰিছে। ড০ হুছেইনে তেওঁৰ প্ৰশিক্ষক খ্যাতিসম্পন্ন পাৱাৰ লিফ্‌টাৰ তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত তিনিবাৰকৈ পদক বিজেতা পুৰুষোত্তম সোণোৱালৰ তত্বাৱধানত এই প্ৰতিযোগিতাত যোগদান কৰিছিল। এই প্ৰতিযোগিতাৰ পৰহিলৈ সামৰণি পৰিব।

০০০০০০

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সুৰক্ষা বিষয়ক কেবিনেট বৈঠকত পাকিস্তানৰ বিৰুদ্ধে ৫টা কঠোৰ সিদ্ধান্ত গ্ৰহণ, বিটিআৰৰ দুহেজাৰ ৫৫৯ কোটি ৬৬ লাখ টকাৰ বাজেট দাখিল, ৰাষ্ট্ৰপতি মুৰ্মুৰ অসম ভ্ৰমণ বাতিল, পহলগাম আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰীৰ আলোকচিত্ৰ প্ৰকাশৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিয়া পৰিলক্ষিত হৈছে।

**অসমীয়া প্ৰতিদিন** কাকতে পহলগামৰ নৰসংহাৰক গৰিহণা দি কালি ৩৫ বছৰৰ মূৰত কাশ্মীৰ উপত্যকা স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক অসম, নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ** আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক অসম** কাকতে সদৌ অসম ছাত্ৰ সন্থা আৰু নন্দ তালুকদাৰ ফাউণ্ডেচনৰ মাজত অসমৰ বিলুপ্তপ্ৰায় খামিয়ং, টাই ফাকে আৰু চিংফৌ ভাষাৰ ডিজিটেল সংৰক্ষণৰ বাবে চুক্তি সম্পন্ন হোৱাৰ বাতৰিক 'খামিয়ং, টাই ফাকে আৰু চিংফৌ ভাষাৰ সংৰক্ষণৰ পদক্ষেপ' শিৰোনামেৰে এংকৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতি মুৰ্মুৰ অসম ভ্ৰমণ বাতিলৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

জম্মু-কাশ্মীৰৰ ঘটনাক লৈ সমগ্ৰ বিশ্ব ভাৰতৰ কাষত থিয় দিয়াৰ বাতৰি **আমাৰ অসম** কাকতে 'ট্ৰাম্প-পুটিনৰ পৰা নেতান্যাহুলৈ ভাৰতৰ কাষত বিশ্ব নেতৃত্ব' শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে পাকিস্তানী নাগৰিকক ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগৰ নিৰ্দেশ দিয়াৰ বাতৰিক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে পহলগাম আক্ৰমণত কলিমা জনাৰ বাবে শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ এগৰাকী অধ্যাপকৰ কথমপি প্ৰাণ ৰক্ষা পৰাৰ বাতৰিক 'কলিমাৰ জ্ঞান, পহলগামত প্ৰাণ ৰক্ষা শিলচৰৰ তিনিজনীয়া পৰিয়ালৰ' শিৰোনামেৰে ফটো সহকাৰে প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে ৭ দিন পূৰ্বে বিবাহপাশত আবদ্ধ হোৱা হিমাংক্ষীয়ে মধু চন্দ্ৰিকালৈ গৈ পহলগাম আক্ৰমণত নৌ সেনা বিষয়া স্বামীক হেৰুওৱাৰ বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে ইজৰাইলৰ আক্ৰমণত গাজাৰ ২৩ গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ বাতৰি ফটো সহকাৰে প্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণে চৌদি আৰবৰ সৈতে ভাৰতৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বাতৰিক 'PM's Saudi visit bolsters strategic ties in defence and energy cooperation' শিৰোনামেৰে প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

000000

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ ঠাই বিশেষে মজলীয়াৰ পৰা পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

000000

সমাপ্ত